ARABI BHASHAR BUNIYAD

## Unit-I (প্ৰথম গোট)

## An Introduction to Language and its family.

### (ভাষা আৰু ইয়াৰ পৰিয়ালৰ পটভূমি)

### (ক) ভাষাৰ সংজ্ঞা, উৎপত্তি আৰু কাৰ্যাৱলী সম্পৰ্কিত প্ৰশ্নোত্তৰঃ

(الألِفُ) إجاباتُ الأسئِلَةِ عنِ تَحْدِيْدِ عِلْمِ اللُّغةِ ومَصادِرِه وأعْمالِه

**অতি চমু প্ৰশ্নোত্তৰঃ**

প্ৰশ্ন নং-১ ভাষা কাক বোলে?

উত্তৰঃ মনৰ ভাৱ প্ৰকাশ কৰিবলৈ বা যোগাযোগৰ মাধ্যম হিচাপে সামাজিক গোষ্ঠী এটাই প্ৰণালীবদ্ধভাৱে, বাকযন্ত্ৰৰ সহায়ত ব্যৱহাৰ কৰা অৰ্থপূৰ্ণ ধ্বনিৰ সমষ্টিক ভাষা বোলে।

প্ৰশ্ন নং-২ ভাষাৰ আৰবী প্ৰতিশব্দ কি?

উত্তৰঃ ভাষাৰ আৰবী প্ৰতিশব্দ হৈছে লুগাত (لُغَةٌ)।

প্ৰশ্ন নং-৩ হেনৰী ছুইটৰ ভাষাৰ সংজ্ঞা উল্লেখ কৰা।

উত্তৰঃ হেনৰী ছুইটৰ মতে, ভাষা হৈছে বাক্য ধ্বনি সংযুক্ত কৰি ধাৰণা প্ৰকাশ কৰা।

প্ৰশ্ন নং-৪ ড° এ. হকৰ ভাষাৰ সংজ্ঞাটো দিয়া।

উত্তৰঃ ড: এ. হকৰ মতে, ভাষা হৈছে - মানুহৰ ব্যক্তিত্বৰ মাজত সজ্জিত শব্দৰ ৰূপত যোগাযোগৰ মাধ্যম আৰু ভাষাৰ এই বৈশিষ্ট্যই মানুহক আন প্ৰাণীৰ পৰা পৃথক কৰে। গতিকে মানুহক যুক্তিবাদী সততা বুলি কোৱা হয়।

প্ৰশ্ন নং-৫ 'The Origin of Language ' গ্ৰন্থখনৰ লিখক কোন?

উত্তৰঃ 'The Origin of Language ' গ্ৰন্থখনৰ লিখক হৈছে - জে.ডি. হাৰ্ডাৰ ( J. D. Harder) ।

প্ৰশ্ন নং-৬ ভাষাৰ উৎপত্তিৰ সূত্ৰ কেইটা আৰু কি কি?

উত্তৰঃ ভাষাৰ উৎপত্তিৰ সূত্ৰ সাতটা। ভাষা উৎপত্তিৰ সূত্ৰ কেইটা তলত উল্লেখ কৰা হ'ল -

(ক) অনুকৰণ সূত্ৰ ( The Bow-Bow Theory)।

(খ) সহজাত প্ৰবৃত্তিজনিত সূত্ৰ (The Pooh-Pooh Theory)।

(গ) শব্দৰ অনুকৰণ সূত্ৰ (The Ding Dong Theory)।

(ঘ) ইংগিতধৰ্মী সূত্ৰ (The Gesture Theory)।

(ঙ) ভাৰসাম্য সূত্ৰ ( The Yo-he-ho Theory)।

(চ) সংগীতধৰ্মী সূত্ৰ (The Musical Theory) ।

(ছ) ক্ৰমবিকাশবাদ সূত্ৰ (Theory of Evaluation) ।

প্ৰশ্ন নং-৭ ভাষাক কেইটা গোষ্ঠীগত ভাগত ভাগ কৰা হৈছে উল্লেখ কৰা।

উত্তৰঃ ভাষাক ৭টা গোষ্ঠীগত ভাগত ভাগ কৰা হৈছে। ভাগসমূহ তলত উল্লেখ কৰা হ'ল-

(ক) ইণ্ডো-ইউৰোপীয় গোষ্ঠী (Indo-European Group)।

(খ) ছেমীয়-হামীয় গোষ্ঠী ( Semitic- Hamitic Group)।

(গ) চীন-তিব্বতীয় গোষ্ঠী (Chine-Tibetean Group)।

(ঘ) ক'কেছীয় গোষ্ঠী (Caucasion Group)।

(ঙ) অষ্ট্ৰিক- দ্ৰাবিড়ীয় গোষ্ঠী (Austric- Dravidian Group)।

(চ) উৰাল-আল্টাই গোষ্ঠী (Ural-Altaic Group)।

(ছ) এস্কিমো গোষ্ঠী (Eskimo Group)।

প্ৰশ্ন নং-৮ ছাম কোন?

উত্তৰঃ ছাম হজৰত নূহ ( আ:) ৰ পুত্ৰ আছিল।

প্ৰশ্ন নং-৯ হাম কোন আছিল?

উত্তৰঃ হাম হজৰত নূহ ( আ:) ৰ পুত্ৰ আছিল।

প্ৰশ্ন নং-১০ নূহ (আ:) ৰ কেইজন পুত্ৰ আছিল ? তেওঁলোকৰ নামসমূহ উল্লেখ কৰা।

উত্তৰঃ নূহ ( আ:) ৰ তিনিজন পুত্ৰ আছিল। সিহঁত যথাক্ৰমে: ছাম, হাম আৰু ইয়াচিফ।

প্ৰশ্ন নং-১১ 'জুদি ' পৰ্বত ক'ত অবস্থিত?

উত্তৰঃ জুদি পৰ্বত বৰ্তমান ইৰাক আৰু ছিৰিয়াৰ সীমান্তৱৰ্তী তুৰস্কত অৱস্থিত।

প্ৰশ্ন নং-১২ 'হিব্ৰু ' কোন দেশৰ প্ৰচলিত ভাষা?

উত্তৰঃ হিব্ৰু পেলেষ্টাইন দেশৰ প্ৰচলিত ভাষা।

প্ৰশ্ন নং-১৩ ছেমীয় ভাষা - গোষ্ঠীৰ কেইটামান শাখাৰ নাম উল্লেখ কৰা।

উত্তৰঃ ছেমীয় সকলৰ ভাষা গোষ্ঠীক চাৰিটা শাখাত ভাগ কৰা হৈছে।

(ক) পূৰ্বী শাখাৰ ছেমীয় জনগোষ্ঠী।

(খ) পশ্চিমী শাখাৰ ছেমীয় জনগোষ্ঠী।

(গ) উত্তৰী শাখাৰ ছেমীয় জনগোষ্ঠী।

(ঘ) দক্ষিণী শাখাৰ ছেমীয় জনগোষ্ঠী।

প্ৰশ্ন নং-১৪ ছেমীয় ভাষা গোষ্ঠীৰ প্ৰধান ভাগ কেইটা আৰু কি কি?

উত্তৰঃ ছেমীয় ভাষা গোষ্ঠীৰ প্ৰধান ভাগ সাতটা। সেই ভাগসমূহ ক্ৰমান্বয়ে -

(ক) ইণ্ডো - ইউৰোপীয় গোষ্ঠী,

(খ) ছেমীয় - হামীয় গোষ্ঠী,

(গ) চীন - তিব্বতীয় গোষ্ঠী,

(ঘ) ককেছীয় গোষ্ঠী,

(ঙ) অষ্ট্রিক - দ্রাবিড়ীয় গোষ্ঠী,

(চ) উবাল আল্টাইক গোষ্ঠী,

(ছ) এস্কিমো গোষ্ঠী

প্ৰশ্ন নং-১৫ 'ইউফ্রেটিছ' নদী কোন দেশত অৱস্থিত?

উত্তৰঃ ইউফ্রেটিছ নদী ইৰাক দেশত অৱস্থিত।

প্ৰশ্ন নং-১৬ 'টাইগ্ৰীচ ' নামৰ নদীখন কোন দেশত অৱস্থিত?

উত্তৰঃ টাইগ্ৰীচ নদীখন ইৰাকত অৱস্থিত।

প্ৰশ্ন নং-১৭ ইছমাইল ( আ:) ৰ কেইজন পুত্ৰ আছিল?

উত্তৰঃ ইছমাইল (আঃ) ৰ ১২ জন পুত্ৰ আছিল।

প্ৰশ্ন নং-১৮ 'ইথিওপিয়া' ৰ পুৰণি নাম কি?

উত্তৰঃ 'ইথিওপিয়া' ৰ পুৰণি নাম আবিছিনীয়া আছিল।

প্ৰশ্ন নং-১৯ 'ইথিওপিয়া ' সকলৰ বিখ্যাত ৰজা জনৰ নাম কি?

উত্তৰঃ ইথিওপিয়া সকলৰ বিখ্যাত ৰজা জন আছিল তাজিনা।

প্ৰশ্ন নং-২০ আৰবী ভাষাৰ উদ্ভাৱন কোন শতিকাত হৈছিল বুলি জনা যায়?

উত্তৰঃ আৰবী ভাষাৰ উদ্ভাৱন খ্ৰীঃপূঃ অষ্টম শতিকাত হৈছিল বুলি জনা যায়।

অতিৰিক্ত প্ৰশ্নোত্তৰঃ

প্ৰশ্নঃ পতঞ্জলিৰ মতে ভাষা কি?

উত্তৰঃ মুখেৰে উচ্চাৰণ কৰা ধ্বনিৰ সহায়ত মানুহৰ মনৰ ভাৱ প্ৰকাশ কৰা আহিলাই হৈছে ভাষা।

প্ৰশ্নঃ ঊনবিংশ শতিকাৰ আগলৈকে পণ্ডিতসকলৰ মনত সৃষ্টি হোৱা ভাষাৰ ধাৰণা কি ?

উত্তৰঃ ভাষা হৈছে " সৃষ্টিকৰ্তাৰ প্ৰত্যক্ষ দান" ।

প্ৰশ্নঃ জে. ডি. হাৰ্ডাৰৰ গ্ৰন্থ খনৰ নাম কি ?

উত্তৰঃ "The Origin of Language"

প্ৰশ্নঃ মনৰ ভাবৰ লগত সংগতি থকা সূত্ৰটোক মেক্সমূলাৰে কি বুলি অভিহিত কৰিছিল ?

উত্তৰঃ 'Pooh - pooh theory ' বুলি অভিহিত কৰিছিল।

প্ৰশ্নঃ "ইংগিতৰ পৰা ভাষাৰ সৃষ্টি হ'ব পাৰে" সূত্ৰটোৰ প্ৰধান বক্তা কোন ?

উত্তৰঃ মাউথ গেইছাৰ।

প্ৰশ্নঃ ভাৰসাম্য সূত্ৰৰ ব্যাখ্যা দাঙি ধৰা পণ্ডিত জনৰ নাম কি ?

উত্তৰঃ এ. এছ. ডায়মণ্ড।

প্ৰশ্নঃ সংগীতধৰ্মী সূত্ৰটোক কোনে সমৰ্থন কৰিছিল ?

উত্তৰঃ অট' জেচ্ পাৰচনে সমৰ্থন কৰিছিল।

প্ৰশ্নঃ 'মানৱ জাতিৰ ক্ষেত্ৰত ব্যাখ্যাত্মক কাৰ্য্য অতি স্পষ্ট ' কথাষাৰ শুদ্ধ নে অশুদ্ধ ?

উত্তৰঃ শুদ্ধ।

প্ৰশ্নঃ কাৰ আবিৰ্ভাৱে বিশ্ব ইতিহাসত নতুন অধ্যায়ৰ সূচনা কৰিছিল ?

উত্তৰঃ মানৱ জাতিৰ আবিৰ্ভাৱে বিশ্ব ইতিহাসত নতুন অধ্যায়ৰ সূচনা কৰিছিল।

প্ৰশ্নঃ আদিতে মানৱ জাতিৰ জনসংখ্যা কিমান আছিল?

উত্তৰঃ অতি সীমিত আৰু তাকৰ আছিল।

প্ৰশ্নঃ আদিম মানুহৰ মুল খাদ্য কি আছিল?

উত্তৰঃ গছৰ ফলমুল আৰু বনৰীয়া জীৱ-জন্তুৰ কেঁচা মাংস।

প্ৰশ্নঃ ছেমীয় - হামীয় কোন দুটা শব্দৰ পৰা উৎপত্তি হোৱা বুলি ধাৰণা কৰা হয়?

উত্তৰঃ "ছাম" আৰু "হাম" শব্দৰ পৰা উৎপত্তি হোৱা বুলি ধাৰণা কৰা হয়।

প্ৰশ্নঃ যীশুখ্ৰীষ্টৰ জন্মৰ আগতে কোনজন নবী পৃথিৱীৰ বুকুলৈ আহিছিল?

উত্তৰঃ হজৰত নূহ ( আ:)।

প্ৰশ্নঃ কাৰ দিনত সমগ্ৰ বিশ্বত মহাপ্লাৱন হৈছিল?

উত্তৰঃ হজৰত নূহ ( আ:) ৰ দিনত।

প্ৰশ্নঃ হজৰত নূহ (আ:)ৰ সময়ত হোৱা মহাপ্লাৱনৰ উল্লেখ কোনটো চুৰা ত পোৱা যায়?

উত্তৰঃ চুৰা হূদ।

প্ৰশ্নঃ হজৰত নুহ (আ:) এ তেওঁৰ অনুগামীসকলক লৈ ক'ত অৱস্থান কৰিছিল?

উত্তৰঃ জুদী পৰ্বতত অৱস্থান কৰিছিল।

প্ৰশ্নঃ পণ্ডিত স্কোলোজাৰে ছেমীয় জনগোষ্ঠী আৰু সিহঁতৰ ভাষাক বুজাবলৈ ব্যৱহাৰ কৰা প্ৰতিশব্দ দুটা কি কি?

উত্তৰঃ জনগোষ্ঠীক বুজাবলৈ ছিমাইট আৰু ভাষাক বুজাবলৈ ছেমিটিক প্ৰতিশব্দ ব্যৱহাৰ কৰিছিল।

প্ৰশ্নঃ ছামৰ পুতেক পাঁচজনৰ নাম কি কি?

উত্তৰঃ আজলাম, আছুৰ, আফছাদ, আৰাম আৰু লুদ।

প্ৰশ্নঃ ছেমীয় সকলৰ আদি বাসস্থান ক'ত আছিল?

উত্তৰঃ ছেমীয় সকলৰ আদি বাসস্থান আছিল আৰব দেশ।

প্ৰশ্নঃ ছেমীয় ভাষাত থকা বৰ্ণৰ সংখ্যা কিমান?

উত্তৰঃ ২২ টাৰ পৰা ২৮ টা বা ২৯ টা।

প্ৰশ্নঃ হিব্ৰু আৰু ফনেচীয়া ভাষাত কেইটা বৰ্ণ আছে?

উত্তৰঃ ২২ টা।

প্ৰশ্নঃ আৰবীত স্বৰবৰ্ণ কেইটা আৰু কি কি?

উত্তৰঃ তিনিটা। আলিফ,ওৱাও আৰু ইয়া ( ا،و،ي )

প্ৰশ্নঃ ছেমীয় ভাষাত কেইটাকৈ বচন থাকে?

উত্তৰঃ তিনিটাকৈ বচন থাকে।

প্ৰশ্নঃ ছেমীয় ভাষাত কেইপ্ৰকাৰ কালৰ ব্যৱহাৰ হয়?

উত্তৰঃ ছেমীয় ভাষাত দুই প্ৰকাৰ কালৰ ব্যৱহাৰ হয়।

প্ৰশ্নঃ ছেমীয় ভাষাত কেইবিধ কাৰকৰ ব্যৱহাৰ হয়?

উত্তৰঃ তিনিবিধ কাৰক যেনেঃ কৰ্তা কাৰক, কৰ্মকাৰক আৰু সমন্ধ কাৰকৰ ব্যৱহাৰ হয়।

প্ৰশ্নঃ ছেমীয় সকলৰ ভাষাগোষ্ঠীৰ ভাগ কেইটা?

উত্তৰঃ চাৰিটা।

প্ৰশ্নঃ ছেমীয় ভাষাগোষ্ঠীৰ পূৰ্বী শাখাৰ দুটা ভাষাৰ নাম উল্লেখ কৰা।

উত্তৰঃ আক্কাদী আৰু আছুৰী ভাষা।

প্ৰশ্নঃ ছেমীয় জনগোষ্ঠীৰ পশ্চিমী শাখাৰ যিকোনো দুটা ভাষাৰ নাম লিখা।

উত্তৰঃ কেনানী আৰু হিব্ৰু ভাষা।

প্ৰশ্নঃ ছেমীয় জনগোষ্ঠীৰ উত্তৰী শাখাৰ ভাষা কি কি?

উত্তৰঃ এৰামী, নাবাতী, ছিৰীয়,কালদীয়, ছামাৰী পালমিৰী আদি।

প্ৰশ্নঃ ছেমীয় ভাষাগোষ্ঠীৰ দক্ষিণী শাখাৰ ভাষা কি কি?

উত্তৰঃ ছাবায়ী, মিনায়ী, ইথিওপী, আৰবী, আমহৰি,মাল্টী, মাহৰী, ছোকোত্ৰী, তিগৰে, তিগৰিণা আদি।

প্ৰশ্নঃ ছেমীয় ভাষা গোষ্ঠীৰ ভিতৰত আটাইতকৈ প্ৰাচীন ভাষা কোনটো?

উত্তৰঃ আক্কাদীয়ান।

প্ৰশ্নঃ আক্কাদীয়ান ভাষা কেতিয়াৰ পৰা কেতিয়ালৈ প্ৰচলিত আছিল?

উত্তৰঃ খ্ৰীষ্টপূৰ্ব ২৮০০ বছৰৰ পৰা খ্ৰীষ্টপূৰ্ব ২১০০ বছৰলৈ প্ৰচলিত আছিল।

প্ৰশ্নঃ আক্কাদীয়ান সকলে ক'ত বসবাস কৰিছিল?

উত্তৰঃ আক্কাদীয়ানসকলে ইউফ্ৰেটিচ আৰু টাইগ্ৰীচ নদীৰ মাজৰ ভূ-খণ্ডত বসবাস কৰিছিল।

প্ৰশ্নঃ আছুৰীয়ান সকলে বাস কৰা ভুমিখণ্ডক কি নামেৰে জনা গৈছিল?

উত্তৰঃ আছুৰীয়ান সকলে বাস কৰা ভূমিখণ্ডক আছুৰ নামেৰে জনা গৈছিল।

প্ৰশ্নঃ কেনান সকলৰ আদি বাসস্থান ক'ত আছিল?

উত্তৰঃ জৰ্দানৰ ( জৰ্ডান) উপকুলীয় অঞ্চল কেনান সকলৰ আদি বাসস্থান আছিল।

প্ৰশ্নঃ ছিৰিয়া আৰু মেছোপটেমিয়া অঞ্চলত বাস কৰা জাতিক কি নামেৰে জনা গৈছিল?

উত্তৰঃ এৰামী নামেৰে জনা গৈছিল।

প্ৰশ্নঃ ছিৰীয় খ্ৰীষ্টিয়ান সকল বিভক্ত হোৱা ভাগ দুটা কি কি?

উত্তৰঃ নেষ্টৰী আৰু ইয়াকুবী।

প্ৰশ্নঃ হজৰত ইছমাইল (আ) কাৰ পুত্ৰ আছিল?

উত্তৰঃ হজৰত ইব্ৰাহিম( আ:) ৰ পুত্ৰ আছিল।

প্ৰশ্নঃ হজৰত ইছমাইল (আ:) ৰ জ্যেষ্ঠ পুত্ৰজনৰ নাম কি?

উত্তৰঃ হজৰত ইছমাইল (আ:) ৰ জ্যেষ্ঠ পুত্ৰৰ নাম নাবায়েত আছিল।

প্ৰশ্নঃ হজৰত ইব্ৰাহিম (আ:) ৰ নাতিয়েকৰ নাম কি?

উত্তৰঃ নাবায়েত।

প্ৰশ্নঃ নাবাতী সকলে সাহিত্য -সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ স্থাপন কৰা নগৰ খনৰ নাম কি?

উত্তৰঃ পেট্ৰা নগৰ।

প্ৰশ্নঃ বিশ্বৰ প্ৰায় ১ কৌটি মানুহে ব্যৱহাৰ কৰা ভাষাটো কি?

উত্তৰঃ আমহাৰী ভাষা।

প্ৰশ্নঃ ছেমীয় জনগোষ্ঠীৰ কনিষ্ঠতম ভাষাটো কি?

উত্তৰঃ ছেমীয় জনগোষ্ঠীৰ কনিষ্ঠতম ভাষা হৈছে আৰবী ভাষা।

প্ৰশ্নঃ কোনটো সময়ত আৰবী ভাষাই সমগ্ৰ আৰব দেশত সাৰ্বজনীন ভাষা ৰূপে স্বীকৃতি লাভ কৰিছিল?

উত্তৰঃ প্ৰাক্ - ইছলামী যুগত আৰবী ভাষাই সমগ্ৰ আৰব দেশত সাৰ্বজনীন ভাষাৰূপে স্বীকৃতি লাভ কৰিছিল।

প্ৰশ্নঃ আৰবী ভাষা কেইটা ভাগত বিভক্ত আৰু কি কি?

উত্তৰঃ তিনিটা ভাগত বিভক্ত। ধ্ৰুপদী আৰবী, আধুনিক আৰবী আৰু কথিত আৰবী।

প্ৰশ্নঃ কথিত আৰবী সাধাৰণতে লিখিত হয়/ অলিখিত হয়।

উত্তৰঃ অলিখিত হয়।

প্ৰশ্নঃ মাল্টাত লেটিন বৰ্ণমালা ব্যৱহাৰ কৰি লিখা চৰকাৰী ভাষা হিচাপে স্বীকৃতি পোৱা কথিত ভাষাটো কি?

উত্তৰঃ মাল্টীজ কথিত ভাষা।

অইন ভাষাৰ পৰা অনা ' ফিল্ম ' শব্দটো কি অৰ্থত ব্যৱহাৰ হয়?

উত্তৰঃ চিনেমা অৰ্থত ব্যৱহাৰ হয়।

**ৰচনা ধৰ্মী প্ৰশ্নোত্তৰঃ**

তলত দিয়া প্ৰশ্ন সমূহৰ বহলাই উত্তৰ দিয়া।

প্ৰশ্নঃ (১) ভাষা বুলিলে কি বুজা? ভাষাবিদ সকলে দিয়া সংজ্ঞা সমূহৰ আধাৰত বুজাই লিখা।

উত্তৰঃ বাকযন্ত্ৰৰ সহায়ত ব্যৱহাৰ কৰা অৰ্থপূৰ্ণ ধ্বনিৰ সমষ্টিক ভাষা বোলে।

ভৌগোলিক পৰিৱেশৰ মাজত থাকি ইজনে সিজনৰ লগত অৰ্থপূৰ্ণ শব্দৰে বাক্য গঠন কৰি মনৰ ভাৱ, আৱেগ, অনুভূতি প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা সাংকেতিক ধ্বনি সমষ্টিক ভাষা বোলে। ভাষাৰ আৰবী প্ৰতিশব্দ 'লুগাত' আৰু ইংৰাজী প্ৰতিশব্দ 'Language' যাৰ অৰ্থ 'the faculty of speech' (ব্যক্তবাণীৰ দক্ষতা)। ই কেৱল মানুহৰ মাজত প্ৰযোজ্য। ভাষাৰ কথিত আৰু লিখিত ৰূপ বেলেগ বেলেগ। বৃহৎ অঞ্চল এটাত বিয়পি পৰা ভাষা এটাই অঞ্চলটোৰ অংশবিশেষে সুকীয়া ৰূপ লয়।

**ভাষাৰ সংজ্ঞাঃ**